# গণতন্ত্ৰৰ প্ৰকৃত বিৰোধীপক্ষ লেখকসকলেই

মূল: শিৱ বিশ্বনাথন

অনুলেখন আৰু অনুবাদ: স্তুতি গোস্বামী

বন্ধুসকল, মোৰ নিজকে আজি ইয়াত এজন প্ৰৱঞ্চক যেন লাগিছে। ইয়াৰ প্ৰথমটো কাৰণ এয়ে যে মই অলপ ঈৰ্ষান্বিত হৈছোঁ... এজন সমাজবিজ্ঞানীয়ে যেতিয়া সাহিত্যৰ লগত জড়িত ইমানবোৰ লোকক একেলগে দেখে, তেওঁ নিশ্চিতভাৱে অলপ ঈৰ্ষা অনুভৱ কৰে— যিহেতু সমাজবিজ্ঞানীসকল দুৰ্বল কাহিনীকাৰ। দ্বিতীয়তে, মই অলপ অপ্ৰস্তুত অনুভৱ কৰিছোঁ এনে এগৰাকী ব্যক্তিৰ কথা ক'বলৈ যিগৰাকী ব্যক্তিক মই কাহানিও লগ পোৱা নাই কিন্তু যিগৰাকীৰ মৰ্যাদা মোৰ দৃষ্টিত উচ্চতৰ হ'বলৈ ধৰিছে— তেখেত হ'ল মুনীন বৰকটকী। এতেকে মই কল্পনা কৰিছোঁ যে মই তেখেতৰ লগত কথোপকথনত মিলিত হৈছোঁ আৰু ইয়াত মই সংযোজন কৰিছোঁ দুগৰাকী বিশেষ ব্যক্তিক— দুগৰাকী মহান সাহিত্যিক, যাৰ স'তে মোৰ আছিল অন্তৰংগ সম্পৰ্ক আৰু যি দুগৰাকী ব্যক্তিয়ে মোৰ জীৱনত গভীৰ ৰেখাপাত পেলাইছে— ইউ. আৰ. অনন্তমূৰ্তি আৰু মহাশ্বেতা দেৱী। আলোচনাৰ বাবে মই বাছি লোৱা বিষয়টো নিচেই সৰল। ইউ. আৰ. অনন্তমূৰ্তিয়ে জীৱনৰ শেষৰ মাহকেইটাত এখন সাংঘাতিক কিতাপ লিখি উলিয়াইছিল। ই দৰাচলতে আছিল এখন সময়োপযোগী পুস্তিকা— 'কিয় মই মোদীৰ ভাৰতত থাকিবলৈ ইচ্ছা নকৰোঁ'। মই ভাবোঁ এইখন তেখেতৰ শ্ৰেষ্ঠ সৃষ্টিৰাজিৰ ভিতৰত অন্যতম। মই তেখেতৰ ছাত্ৰ আছিলোঁ আৰু মৃত্যুৰ আগতে তেখেতে মোক কিতাপখনৰ আগকথা এটা লিখাৰ কথা কৈছিল। মোৰ বোধেৰে, সেই পুস্তিকাখনত অনন্তমূৰ্তিয়ে লেখকৰ ভূমিকাৰ কথা সুন্দৰভাৱে অংকন কৰিবলৈ সক্ষম হৈছে। অনন্তমূৰ্তিৰ দৰে ব্যক্তি এজনৰ দৃষ্টিত, ৰাজনৈতিক দলসমূহ গুৰুত্বপূৰ্ণ হ'লেও লেখকসকল তাতোকৈ অধিক শক্তিশালী যিহেতু এখন গণতন্ত্ৰৰ প্ৰকৃত বিৰোধীপক্ষ সংগঠিত হ'ব লেখকসকলৰদ্বাৰাই। আজি যেতিয়া ভাৰতীয় জনতা পাৰ্টীয়ে উত্তৰ প্ৰদেশৰ নিৰ্বাচনত তিনিশখন আসন জিকিবলৈ সক্ষম হৈছে* লেখক এগৰাকীৰ ভূমিকা আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰা যেন অনুভূত হয়। (কিয়নো) লেখকজনেই হ'ব ভৱিষ্যতৰ বিৰোধী পক্ষ। এই সংক্ৰান্তত অনন্তমূৰ্তিয়ে এটা মনোগ্ৰাহী কথা কৈছিল। তেওঁ কৈছিল যে কেৱল কাহিনীৰ কথনেই বা কল্পকথনেই (storytelling) যথেষ্ট নহয়, আপোনাক লাগিব এক নতুন ধৰণৰ অভিব্যক্তি, যিয়ে সত্যৰ কথা কয়, এক বেলেগ ধৰণৰ সত্যকথন (truth telling)— য'ত লেখকসকলে একত্ৰিত হৈ গঠন কৰিব এখন নতুন সংবিধান সভাৰ (অৰ্থাৎ Constituent Assembly)। আমাৰ আনুষ্ঠানিক সংবিধানখনৰ চাৰিওকাষে আমাক এখন নতুন ধৰণৰ সংবিধানৰ প্ৰয়োজন।

কাহিনীকাৰসকলে লিখাহেঁতেন আমাৰ সংবিধানখন কেনে ধৰণৰ হ'লহয় তাৰ ওপৰত ভিত্তি কৰি এখন ভৱিষ্যতমুখী সংবিধান সৃষ্টি কৰিবলৈ অনন্তমূৰ্তিয়ে মোক, এজন সমাজ বিজ্ঞানী হিচাপে, পৰামৰ্শ দিছিল। দ্বিতীয়তে, অনন্তমূৰ্তিৰ দৰে ব্যক্তি এজনৰ বাবে— আৰু এই ধাৰণাটো আমি তেওঁ লিখা এই পুস্তিকাখনতো পাওঁ যে— কল্পকথনৰ সবাতোকৈ ডাঙৰ বিফলতাৰ অন্যতম হ'ল বিকাশৰ ন্যায্যতাপ্ৰাপ্ত ধাৰণাটো। তেওঁৰ মতে বিকাশ কোনো অৰ্থনৈতিক বৰ্গ নহয়— বেয়া সাহিত্য, কল্পকথনৰ বিফলতাই হ'ল বিকাশ। তেওঁ কৈছিল যে এখন সমাজৰ চৈধ্য নিযুত লোক যেতিয়া নদীবান্ধৰদ্বাৰা আৰু দহ নিযুত লোক যেতিয়া ধৰ্মীয় অথবা গোষ্ঠীগত সংঘৰ্ষ বা উচ্ছৃংখলতাৰ বাবে উচ্ছেদিত হয়, সেয়া কল্পকথাৰ বিফলতাৰ বাদে আন একো নহয়। সেয়া হ'ল আমি কৈ থকা শ্ৰেণী বা বৰ্গসমূহক ভালদৰে বুজি নোপোৱাৰ বিফলতা। আৰু মই ভাবোঁ এই কথাটোকেই মহাশ্বেতা দেৱীয়ে অতি সুন্দৰভাৱে দাঙি ধৰিছিল, তেখেতৰ এটা শ্ৰেষ্ঠ গল্প 'ডা টেৰোডেক্টিল'ৰদ্বাৰা। এই গল্পটো ৰচনা কৰা হৈছে (যোৱাটো শতিকাৰ) ষাঠীৰ দশকৰ দুৰ্ভিক্ষ জৰ্জৰিত বিহাৰৰ প্ৰেক্ষাপটত। মহাশ্বেতা দেৱীয়ে গল্পটো এবাৰ মোক এনেদৰে কৈছিল— আধুনিক মনৰ বিকাশ আৰু উন্নতিত বিশ্বাসী এজন যুৱ সাংবাদিক এবাৰ বিহাৰৰ পূৰ্ণীয়ালৈ গৈ শুনিবলৈ পালে যে এজন জনগোষ্ঠীয় লোকে এটা

আচহুৱা চৰাইৰ সন্ধান পাইছে। সাংবাদিকজনে আৱিষ্কাৰ কৰিলে যে এই চৰাইটো আন একো নহয়, এটা টেৰোডেক্তিল। তেওঁৰ আধুনিক সত্তাই স্বীকাৰ কৰিবলৈ অমান্তি হ'ল যে এই ডাইনোছৰীয় জীৱটোৰ পুনৰাগমন ঘটিছে আৰু এই জনগোষ্ঠীয় ব্যক্তিজনৰ স'তে ইমান সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছে। এই লোকজনৰ মতে, তেওঁৰ ভাই উভতি আহিছে। সাংবাদিকজনে ভাবি একো উৱাদিহ নাপাই প্ৰশ্ন কৰে— কিদৰে পঞ্চাশ নিযুত বছৰ আগতে নিঃশেষ হৈ যোৱা আৰু পুনৰাগমন ঘটা আচহুৱা চৰাইৰ স'তে এই জনগোষ্ঠীয় লোকজনৰ এনে নিবিড় সম্পৰ্ক গঢ়ি উঠিছে? সেই মুহূৰ্ততে সাংবাদিকজনে এটা গুৰুত্বপূৰ্ণ কথা উপলব্ধি কৰে— যে টেৰোডেক্তিল আৰু সেই মানুহজনৰ মাজত এনে এক জ্ঞাতিত্বই বিৰাজ কৰিছে, তেওঁলোকৰ মাজত এনে এক নাগৰিকত্বৰ ঐক্যতানৰ সৃষ্টি হৈছে, য'ত সাংবাদিকজনৰ স্থান নাই। আধুনিকতাৰ প্ৰতীকস্বৰূপ সাংবাদিকজনহে বিজাতীয় অথবা বহিৰাগত। এই গল্পটোৰদ্বাৰা মহাশ্বেতা দেৱীয়ে দেখুৱাবলৈ বিচৰা কথাটো অনন্তমূৰ্তিয়ে দেখুৱাবলৈ বিচৰা কথাটোৰ সৈতে একেই— যে গণতন্ত্ৰ পৰিচালিত হয় বহুমাত্ৰিক সময়ৰদ্বাৰা। এবাৰ অনন্তমূৰ্তিয়ে তেওঁৰ পিএইচডিৰ তত্ত্বাৱধায়ক মেলকম ব্ৰেডবাৰীৰ সতে ইঙ্গমাৰ বেৰ্গম্যানৰ বোলছবি এখন চাবলৈ গৈছিল। বোলছবি দৰ্শনৰ পিছত তেওঁলোকৰ মাজত এক অগতানুগতিক আলোচনাৰ সূত্ৰপাত হ'ল— অনন্তমূৰ্তিয়ে ব্ৰেডবাৰীক ক'লে, এজন পশ্চিমীয়া ব্যক্তিয়ে অতীত ৰোমন্থন কৰিবলৈ হ'লে দপ্তৰখানালৈ (archive) যায়, কিন্তু এজন ভাৰতীয়ই অতীত ৰোমন্থনৰ বাবে যায় প্ৰতিবেশীৰ ঘৰলৈ। আন কথাত ক'বলৈ গ'লে আমাৰ দেশত আমি পাওঁ সময়ৰ বহুতপৰীয়া অৱস্থিতি আৰু সময়ৰ এই চুবুৰীসমূহক আমি প্ৰতিনিধিত্ব কৰিব লাগিব। আমাৰ আনুষ্ঠানিক সংবিধানখনে সময়ৰ ধাৰণাটোৰ হৃদয়ংগম কৰিব নোৱাৰে, সেইখনত কল্পকথনৰ খতিয়ান নাই। উদাহৰণস্বৰূপে, আপুনি ভাৰতবৰ্ষক এখন শান্তিময় দেশ বুলিব পাৰে যিখনে শান্তিপূৰ্ণ ৰাষ্ট্ৰীয়তাবাদৰ (peaceful nationalism) দ্বাৰা বিজয় সাব্যস্ত কৰিলে, নহ'লে আপুনি এনেদৰেও ক'ব পাৰে যে ভাৰতবৰ্ষ এনে এখন দেশ যি সৃষ্টি হ'ল দুটা গণহত্যাৰদ্বাৰা— দেশ বিভাজন, যিয়ে এটা সময়ত এক দশমিক ছয় নিযুত মানুহৰ জীৱনলৈ মৃত্যু নমাই আনিলে আৰু বংগদেশত হোৱা দুৰ্ভিক্ষ, যাৰ বিষয়ে কোনেও একো ক'বলৈ নিবিচাৰে আৰু যিয়ে প্ৰায় তিনি নিযুত মানুহক নিঃশেষ কৰি পেলালে। এফালৰপৰা চাবলৈ গ'লে এই দুয়োটা গণহত্যাই আধুনিক ভাৰতীয় ৰাষ্ট্ৰখনক ৰূপ দিলে। যেতিয়া আপুনি কথাখিনি এনেদৰে চায়, যেতিয়া আপুনি কল্পকথন আৰু সত্যকথনক ৰাষ্ট্ৰীয়তাবাদ আৰু এখন ৰাষ্ট্ৰৰ ইতিহাস ৰচনা কৰাৰ অচিলা বা মাধ্যম হিচাপে লয়, কথাবোৰ সলনি হৈ পৰে। এনেধৰণৰ বিপৰ্যয়ৰ আমি কিদৰে সন্মুখীন হওঁ বাৰু? অনন্তমূৰ্তিয়ে যেতিয়া এই কিতাপখন লিখি উলিয়ালে, ভাৰতীয় জনতা পাৰ্টীৰ গিৰিৰাজ কিশোৰ নামৰ ব্যক্তিজনে এনেধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে— 'অনন্তমূৰ্তি পাকিস্তানমুখী ৰে'লগাড়ীখনত যাৱৰ যোগ্য'— আৰু অনন্তমূৰ্তিৰ বিৰাট স্ফূৰ্তি লাগিল— তেওঁ ক'লে— 'পাকিস্তানমুখী ৰে'লগাড়ী— বাহ! কি সুন্দৰ ৰূপক!' এক ধৰণৰ গণহত্যাৰ কাহিনী হিচাপে ই আৰম্ভ হৈছিল— আজি ই বৈপ্লৱিক কল্পনাৰ মহান লোকসকলৰ সূচক হৈ পৰিছে— প্ৰতিজন মহান সাহিত্যিক পাকিস্তানমুখী ৰে'লগাড়ীখনত উঠিব লাগে কিয়নো এই কল্পকথনৰদ্বাৰা অৰ্থাৎ ৰে'লগাড়ীখনৰদ্বাৰাই আমি আমাৰ ভৱিষ্যতৰ ভাৰতখনৰ কথা পাতিবলৈ সক্ষম হ'ম, মই আশা কৰিছোঁ আপুনিও তাত থাকিব। কথাটো মই আৰু অলপ আগুৱাই নিওঁ। কেইজনমান কল্পকথকে (বা কাহিনীকাৰে) সংবিধানখনৰ পুনৰ্লিখন কৰিলে, তেওঁলোকে কামটো কেনেদৰে কৰিব বাৰু? কেনে ধৰণৰ নতুন ৰূপক, ব্যঞ্জনা, প্ৰতীকৰ ব্যৱহাৰ কৰিব বাৰু তেওঁলোকে? অথবা কি নতুন কাহিনী তেওঁলোকৰ দৃষ্টিগোচৰ হ'ব, যিবোৰ তেওঁলোকে এই নতুন সংবিধানখনত সন্নিৱিষ্ট কৰিব? আৰু ইয়াৰ প্ৰয়োজনীয়তা কি বাৰু? মই ভাবোঁ দৰাচলতে একেবাৰে মৌলিক স্তৰত আমাৰ সংবিধানখনে কল্পকথনৰ প্ৰতি বধিৰ স্থিতি অৱলম্বন কৰিছে। আমাৰ বিকাশৰ যিবোৰ ধাৰণা, সেই ধাৰণাবোৰে কিঞ্চিতমানো দুখীয়া-নিপীড়িতজনৰ যন্ত্ৰণা, কষ্ট অথবা সেই দুখ-যন্ত্ৰণা প্ৰকাশ কৰা ভাষাৰ গভীৰতাক ঢুকি নাপায়। মই আপোনালোকক চাৰিটা উদাহৰণ দিব বিচাৰোঁ— কেইমাহমান আগতে ওড়িশাত, য'ত খনন কাৰ্য হয়, তাত এটা জলপ্ৰপাতৰ মৃত্যু হ'ল। সেই এলেকাৰ জনগোষ্ঠীয় লোকসকল দুখী আৰু উদ্বিগ্ন হৈ পৰিল। (সেই ঠাইৰ) মোৰ দুগৰাকীমান বন্ধুৱে ক'লে যে এক শ্ৰুতিকথাৰ মৃত্যু হ'ল, এক জীৱনধাৰাৰ অন্ত পৰিল, এটা জলপ্ৰপাতৰ মৃত্যু হ'ল।

তেওঁলোকে ক'বলৈ ধৰিলে আমি কি কৰোঁ, আমি উদ্বিগ্ন, কিয়নো এনে লাগিছে যেন আমাৰ সৃষ্টিতত্ত্বই যেন বিকল হৈ পৰিল, যেন নিষ্ক্ৰিয় হৈ পৰিল। তেওঁলোকে সুধিলে জলপ্ৰপাতৰ বিষয়ে আপোনাৰ ধাৰণা কি বাৰু? আমাৰ সংবিধানে জলপ্ৰপাত এটাৰ মৃত্যুৰ কথা কিদৰে ভাবে বাৰু? মই দিল্লীলৈ উভতি গৈ মোৰ অৰ্থনীতিবিদ সহকৰ্মী এজনৰ লগত এই বিষয়ে আলচ কৰোঁতে তেওঁ ক'লে, 'জলপ্ৰপাত— সেয়া পানীৰ কেইটামান ক্যুচেকহে মাথোন।' মোৰ এই সহকৰ্মীজনৰ ঐহিক অৰ্থনৈতিক ধাৰণা আৰু সেই জনগোষ্ঠীয় লোকসকলৰ জলপ্ৰপাতক লৈ দেখা সপোনৰ মাজৰ সেই বিশাল ব্যৱধানতে নিহিত হৈ আছে আমাৰ সংবিধানখন। কথাটো মই আৰু অলপ আগলৈ নিওঁ বাৰু। মোৰ বন্ধু মেধা পাটকাৰৰ কথা এই মুহূৰ্তত মনলৈ আহিছে। নৰ্মদা বান্ধৰ বিৰুদ্ধে কৰা আন্দোলনৰ পৰাজয়ৰ বহু পিছত, তেওঁলোকে জলসমাধি ল'লে : মেধা আৰু এশগৰাকীমান লোকে নিজকে পানীত বুৰাই নীৰৱে শুই দিলে নৈখনতে। আৰু তেওঁলোক তেনেদৰেই থাকিল... নীৰৱতাক সাবটি। প্ৰায় বিশ দিনলৈ ছপা আৰু বৈদ্যুতিন মাধ্যমে তেওঁলোকক আওকাণ কৰিলে। সেই নীৰৱতাই আছিল নাটকীয়। এনে কি কাৰণত ভাৰতে এয়া পাহৰি যায়? এনে কি কাৰণত ভাৰতে পাহৰি যায় নৰ্মদা আন্দোলনৰ শেষৰ দিনকেইটাৰ কাহিনীবোৰৰ কথা যেতিয়া আৰ্মিৰ জীপসমূহ তাত উপস্থিত হ'লগৈ? মোৰ বন্ধু এজনে কোৱা মনত পৰিছে কিদৰে এজন জনগোষ্ঠীয় নেতাই আঁতৰিবলৈ দিয়া নিৰ্দেশৰ প্ৰত্যুত্তৰত কৈছিল, 'মই নোৱাৰোঁ।' আৰ্মিৰ লোকজনে ক'লে, 'কিয় নোৱাৰ?' তেওঁ ক'লে, 'মোৰ পূৰ্বজসকল ইয়াতেই সমাধিস্থ হৈছে যেতিয়া ময়ো ইয়াতেই সমাধিস্থ হ'বলৈ বিচাৰোঁ।' দুখৰ বিষয়, নৰ্মদা বান্ধৰ বিষয়াসকলে এই কাহিনীটো কাহানিও বুজিব নোৱাৰিলে। এতেকে, আমাৰ আগত উন্মোচিত হোৱা প্ৰথম কথাটো হ'ল বিকাশৰ ভাষাৰ প্ৰতি উত্থাপিত হোৱা প্ৰশ্নসমূহ আৰু লগতে সংবিধানৰ ভাষাই ভাৰতত হৈ থকা কথাবোৰ বুজিবলৈ অপাৰগ। দ্বিতীয়তে হ'ল স্মৃতিৰ বিফলতা। নৰ্মদা বান্ধৰ বিৰুদ্ধে থিয় হোৱা মানুহখিনিয়ে অসহায়তাৰ বশৱৰ্তী হৈ নৰ্মদা আন্দোলনৰ পঞ্জিকা এখন তৈয়াৰ কৰিলে— য'ত সংঘৰ্ষৰ প্ৰতিটো খোজ, তাৰিখ, সময় সহিতে সন্নিৱিষ্ট কৰা হ'ল। কিন্তু মেধাৰ মতে, দুখৰ বিষয় এইটোৱেই যে বিকাশ হ'ল পাহৰণিৰ বুকুত বিলীন হোৱা কাৰ্য। বিকাশ হ'ল কিবা এটা ঘঁহি উঠাই পেলোৱা কাৰ্য। আৰু মানুহৰ জীৱন ধ্বংস কৰা হেতুকে বিকাশে মানুহৰ আত্মজীৱনীসমূহ ধ্বংস কৰে। মৌলিক স্তৰত, বিকাশৰ ট্ৰেজিডিয়েই হ'ল কল্পকথনৰ বিফলতা। মই দিব বিচাৰা তৃতীয় উদাহৰণটো আৰু অধিক মনোগ্ৰাহী আৰু ওচৰৰে— অৰুণাচল প্ৰদেশৰ। অৰুণাচলৰ জনগোষ্ঠীয় লোকসকলে কোনো এটা জল প্ৰকল্প হৈ উঠাত বাধা দিলে কিয়নো তালৈ ক'লা-ডিডিৰ কৰ্চন চৰাইবোৰ আহে আৰু তেওঁলোকে বিশ্বাস কৰে যে সেই চৰাইবোৰ দালাই লামাৰ ষষ্ঠ অৱতাৰ। তেওঁলোকে ক'লে, আপোনালোকে এই চৰাইবোৰক একো কৰিব নোৱাৰে। এনে এক পৰিস্থিতিত এজন অৰ্থনীতিবিদৰ বাবে, যিয়ে আৰ্থিক লাভালাভ বা সুবিধাৰ কথা ক'ব, cost benefitৰ কথা ক'ব, তেওঁৰ বাবে দালাই লামাৰ ষষ্ঠ অৱতাৰৰ অৰ্থ বা মহত্ব কি? আৰু আনহাতে, এই মানুহখিনিয়ে জনশ্ৰুতিৰ কথা কৈ আছিল, ৰূপকৰ কথা কৈ আছিল, তেওঁলোকৰ দৈনন্দিন জীৱনত নিহিত হৈ থকা সৃষ্টিতত্ত্বৰ কথা কৈ আছিল। অনন্তমূৰ্তি আৰু মহাশ্বেতা দেৱীয়ে কোৱাৰ দৰে, মৌলিক স্তৰতেই, বিকাশৰ ধাৰণাটোৱে মানুহক, সাধাৰণ জনতাক বুজিবলৈ অপাৰগ। সেয়ে মই নিজকে সোধা প্ৰশ্নটো হ'ল নিচেই সৰল— কল্পনা কৰি লওক যদি ইউ. আৰ. অনন্তমূৰ্তি, মহাশ্বেতা দেৱী এনে এক সংবিধান সভাৰ অংশীদাৰ হ'লহেঁতেন, আজিৰ তাৰিখত, তেওঁলোকে কল্পকথাৰ স্ৰষ্টা হিচাপে, কাহিনীকাৰ হিচাপে, কেনেধৰণে এখন নতুন— মই যাক ক'ব বিচাৰোঁ— অপ্ৰকাশিত সংবিধানৰ (tacit constitution) সৃষ্টি কৰিলেহেঁতেন বাৰু, যিখনে কণ্ঠ দিলেহেঁতেন সেই ৰূপক, প্ৰতীক, আৰ্হি, সপোন, সেই বিকল্পসমূহক, যিবোৰে ভাৰতীয় সমাজৰ এটা বেলেগ সংস্কৰণ সৃষ্টি কৰিব। মই ভাবোঁ আমি ইতিমধ্যে বহুখিনি সময় নিয়োজিত কৰিলোঁ গণতন্ত্ৰক নিৰ্বাচনৰ সতে জড়িত প্ৰক্ৰিয়া এটা বুলি ভাবি। সঁচা (নিৰ্বাচন অপ্ৰয়োজনীয় নহয়)। কিন্তু নিৰ্বাচন বহুদূৰ আগুৱাই যাব নোৱাৰে, বা গ'লেও নিৰ্বাচনে আপোনাক দিব আমি আজি স্বাদ ল'বলগীয়া হোৱা সংখ্যাগৰিষ্ঠ শাসন এটাৰ। মই ভাবোঁ গণতন্ত্ৰও এক ধৰণৰ কল্পকথনেই। ই এক ধৰণৰ সত্যকথন। ই কল্পনাৰ বিভিন্নতাক সজীৱ কৰি ৰখাৰ প্ৰয়াস। প্ৰতিনিধিত্বৰ বিশেষত্ব নিৰ্বাচন সম্বন্ধীয় নহয়, প্ৰতিনিধিত্বৰ বিশেষত্ব হ'ল যেতিয়া কাহিনীকাৰজনে সুন্দৰভাৱে বিভিন্ন সমাজৰ সত্য হৃদয়ংগম কৰি সঠিক ৰূপত উপস্থাপন

কৰিবলৈ সক্ষম হয়। এবাৰ মোৰ বন্ধু এজনে বৰ ধুনীয়াকৈ কথাটো বুজাই দিলে। তেওঁক যেতিয়া সোধা হ'ল, 'তুমি কল্পকথন কি বুলি ভাবা?' তেওঁ মোক ওলোটাই সুধিলে, 'জানানে ভাৰতবৰ্ষত কিমান প্ৰজাতিৰ চাউল পোৱা যায়?' সেই সময়ত মই বিজ্ঞানৰ ইতিহাসবিদ ইমান হোৱাগৈ নাছিলোঁ... মই এনেয়ে উত্তৰ দিলোঁ— 'এশ, এহেজাৰ।' তেওঁ ক'লে, 'তুমি বুজা নাই, ভাৰতবৰ্ষ হ'ল ডেৰশ হেজাৰ প্ৰজাতিৰ চাউলৰ ভঁৰালঘৰ।' ডেৰশ হেজাৰ চাউলৰ প্ৰজাতি, অৰ্থাৎ ডেৰশ হেজাৰ শ্ৰুতিকথা, ৰন্ধন প্ৰকৰণ, সপোন, কল্পকথন। বিভিন্ন ধৰণৰ কল্পকথাৰদ্বাৰা ভাৰতে যদি এই ডেৰশ হেজাৰ চাউলৰ প্ৰজাতিক জীয়াই ৰাখিব নোৱাৰে, তেনেহ'লে গণতন্ত্ৰৰ মৃত্যু ঘটিব। (এয়া হ'ল) চাউলৰ গণতন্ত্ৰ— কেৱল মূল খাদ্য হিচাপেই নহয়, বা ৰন্ধন প্ৰকৰণৰ কলা হিচাপেই নহয়, কিন্তু শ্ৰুতিকথাৰ ভিন্নতাৰ অথবা বহুৰঙিতাৰদ্বাৰা গণতন্ত্ৰ জীয়াই থাকে। গণতন্ত্ৰ নাগৰিকত্বৰ তাত্ত্বিক আলোচনাৰদ্বাৰা জীয়াই নাথাকে অথবা থাকিব নোৱাৰে। গণতন্ত্ৰ জীয়াই থাকে সৃষ্টিতত্ত্ব, এক বেলেগ ধৰণৰ শ্ৰুতিকথাৰ সপোনৰদ্বাৰা। আৰু সেয়ে মই এটা সাধাৰণ প্ৰস্তাৱনাৰে আৰম্ভ কৰিবলৈ বিচাৰিছোঁ, আৰু আপোনালোকক জনাই থওঁ ইয়াৰে ভালেখিনি সামাজিক আন্দোলনসমূহে প্ৰয়াস কৰিছিল। মই প্ৰস্তাৱ কৰিবলৈ বিচৰা প্ৰথমটো কথা হ'ল যে আমাক সময়ৰ এক পৃথক ধাৰণাৰ প্ৰয়োজন। আমাৰ সংবিধান ৰচিত হৈছে সৰল বা ঋজুৰৈখিক সময়ত আৰু ঋজুৰৈখিক সময় কল্পকথনৰ বাবে একেবাৰেই যথোচিত নহয়। তাত সোঁৱৰণীৰ কোনো অস্তিত্বই নাই। মোৰ বন্ধু এজনে এবাৰ মোক কোৱা মনত আছে— জানানে, ব্ৰুকলীন (MDI) ৰিপোৰ্টৰ আসোঁৱাহ ক'ত? সি কেৱল এক নিৰ্দিষ্ট ধৰণৰ সময়ৰদ্বাৰা সংগঠিত। মোৰ সেই জনগোষ্ঠীয় লোকজন যাক মই পৰ্যৱেক্ষণ কৰিছোঁ স্থানান্তৰী খেতিৰ (shifting cultivation) বাবে তেওঁৰ আছে বিশটা বিধৰ সময়। আপুনি বিশবিধ সময়ৰ অবিহনে sustainabilityৰ তত্ত্ব বিকশিত কৰিব নোৱাৰে। সময়েই যেতিয়া নিঃস্ব, sustainabilityৰ ক্ষেত্ৰখনো অসাৰ আৰু যেতিয়া sustainabilityত অসাৰতা থাকে গণতন্ত্ৰৰ সম্ভাৱনীয়তাবোৰ মৰহি যায়। আৰু এই প্ৰেক্ষাপটতেই মই ক'ব বিচাৰোঁ যে গণতন্ত্ৰ বহুমাত্ৰিক সময়ত গঢ়িব লাগিব, যাতে ইতিহাস, শ্ৰুতিকথা, অতীত, বৰ্তমান, ভৱিষ্যত আটাইবোৰে সংস্থান কৰে— কিয়নো একেবাৰে মৌলিক স্তৰত বহুমাত্ৰিক সময়ৰ ধাৰণাটোৰ অবিহনে কল্পকথন সম্ভৱ নহয়। আপুনি 'এসময়ত এনে আছিল' জাতীয় কথাৰে আৰম্ভ কৰিব নোৱাৰে কিয়নো ইতিহাসত নিৰ্দিষ্টতা বহু বেছি আৰু ই বহু বেছি আনুষ্ঠানিক। আমাক বৰ্তমান প্ৰয়োজন এখন কল্পকথকৰ দেশৰ যাতে আমাৰ সংবিধানখনক আমি জীয়াই ৰাখিব পাৰোঁ। কিয় বাৰু মই এই কথাটোত ইমান জোৰ দিছোঁ? দৰাচলতে সংবিধানখন এখন প্ৰবুদ্ধ সৃষ্টি। আমি স্বতন্ত্ৰতা অৰ্থাৎ liberty, আৰু সমতা অৰ্থাৎ equalityৰ কথা কওঁ, আৰু মই ভাবোঁ আমি ইতিমধ্যে এই দুই ধাৰণাক বহুখিনি সময় দিলোঁ, কিন্তু সাম্প্ৰদায়িক মৈত্ৰী অৰ্থাৎ fraternityৰ আৰু বিভিন্নতা অৰ্থাৎ diversityৰ কথা আমি কাহানিও নাভাবিলোঁৰেই। আৰু আপুনি ভাৰতীয় সংবিধানখন চালে দেখিব যে কল্পকথক বা কাহিনীকাৰসকলে কৰা এটা মহৎ কাম এয়ে যে তেওঁলোকে বিভিন্নতাক বা বৈচিত্ৰ্যক জীয়াই ৰাখে। আৰু এই কথাটোৰে আমাক ভাষাৰ বিষয়টোলৈ আনে। অনন্তমূৰ্তিয়ে এবাৰ এই কথাটো অতি সুন্দৰভাৱে দাঙি ধৰিছিল— তেওঁ কৈছিল, মই কি কৰোঁ যদি ভাৰতৰ এজন নিৰক্ষৰ ব্যক্তিয়ে পাঁচটা ভাষা ক'বলৈ জানে, আৰু কনভেণ্ট শিক্ষাৰে শিক্ষিত ছোৱালী এজনীয়ে এটা ভাষা কয়। হয়তো অনন্তমূৰ্তিয়ে ক'বলৈ বিচৰা কথাটো আছিল এনেধৰণৰ— যেতিয়া ভাৰতবৰ্ষই বৰ্ণমালাৰ ওপৰত ভিত্তি কৰি ভাষাৰ সংজ্ঞা আগবঢ়ালে, মই ভাবোঁ একেদিনাই দুহেজাৰটা ভাষাৰ মৃত্যুৰ ডংকা বাজি উঠিল। সেইদিনা দুহেজাৰটা কথিত ভাষা নিশ্চিহ্ন হ'ল, দুহেজাৰটা কল্পনাৰ প্ৰকাৰ চিৰদিনলৈ নোহোৱা হ'ল। হয়তো সৰ্বকালৰ সকলোতকৈ ভয়ানক linguicideৰ অন্যতম বুলি এই ঘটনাটো ইতিহাসৰ পাতত খোদিত হৈ ৰ'ব। মৌখিক পৰম্পৰা অৰ্থাৎ orality ধ্বংস কৰিলে কি হয় বাৰু? কিয়নো ভাৰতীয় সাহিত্যিকজনে নিজকে কেৱল পাঠটোতেই আবদ্ধ কৰি নাৰাখে, তেখেত যেন মৌখিক পৰম্পৰাৰ স'তে এক ধৰণৰ সামাজিক চুক্তিত বদ্ধপৰিকৰ। তেওঁ digitalityৰ লগত নিজৰ সম্পৰ্ক বুজি উঠিব লাগিব, কেৱল পাঠটোতে আবদ্ধ কৰি ৰাখিলে লেখন প্ৰক্ৰিয়াত সৃষ্টিশীলতা আহিব বুলি কোনেও ক'ব নোৱাৰে। আৰু এই প্ৰেক্ষাপটতেই মোৰ ভালেকেইগৰাকী সাহিত্যিক বন্ধুৱে বহুমাত্ৰিক সময়ত অৱস্থান কৰা সংবিধান এখনৰ কথা কৈছে। আমি ইয়াৰ লগতে orality, textuality, আৰু digitalityৰ

স'তে নতুন সম্পৰ্কৰ কথা ভাবি উলিয়াব লাগিব। প্ৰকৃত গণতন্ত্ৰ হ'বলৈ ভাৰতবৰ্ষৰ অৱস্থিতি হ'ব লাগিব বহুমাত্ৰিক সময়ত আৰু বহুতো মাধ্যমত, পশ্চিমীয়া দেশসমূহত প্ৰচলিত আৰু মান্যতাপ্ৰাপ্ত গণতন্ত্ৰৰ ধাৰণা ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত অৰ্থহীন। মই ভাবিলে আচৰিত হওঁ যে ভাৰতত শৰীৰৰ ইতিহাসৰ কোনো বাগধাৰাৰ অস্তিত্বই নাই। শৰীৰ আৰু শৰীৰ-সম্বন্ধীয় ৰাজনীতিৰ মাজৰ সম্পৰ্কৰ অন্বেষণ আধুনিক সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ বিষয়। আজিৰ যিকোনো এটা চিন্তনীয় বিষয়কে লোৱা যাওক— যেনে ভ্ৰূণ হত্যা— ভাৰতত সংঘটিত হোৱা ভ্ৰূণ হত্যাৰ হাৰ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত নাজী বাহিনীৰদ্বাৰা সংঘটিত holocaustৰ ওচৰা-ওচৰিয়েই। আমি ইতিমধ্যে পাঁচশ হেজাৰটি ভ্ৰূণ একেবাৰে ধ্বংস কৰিবলৈ সক্ষম হৈছোঁৱেই। বা আপুনি শৰীৰৰ বা শৰীৰৰ অংগসমূহৰ পণ্য হোৱা প্ৰক্ৰিয়াটো বা ব্যৱসায়ৰ কথাটোকেই চাওক। শিশুৰ আৰু দেহৰ ব্যৱসায়ত তিনি নিযুত মানুহ জড়িত হৈ আছে। বা আপুনি নিৰ্যাতনৰ কথাটোকেই চাওক। আপুনি যদি শৰীৰৰ আটাইবোৰ ইতিহাস আৰু শৰীৰ-সম্বন্ধীয় একাধিক ইতিহাসলৈ দৃষ্টি নিক্ষেপ কৰে, উপলব্ধি কৰিব যে শৰীৰ সম্বন্ধীয় এক নতুন ধৰণৰ কথকতা আৰু কথকতাৰ আন্তঃগাঁথনি উদ্ভাৱনৰ প্ৰয়োজনীয়তা কিমান। শৰীৰৰ ধাৰণা অবিহনে আৰু শৰীৰ-বিষয়ক কল্পকাহিনীৰ— আৰু ই কোনো নিৰ্দিষ্ট লিংগৰ কথা নহয়— গণতন্ত্ৰ এখন জীৱিত হৈ থাকিব নোৱাৰে। প্ৰতিদিনে ভাৰতত নিৰুদ্দিষ্ট হোৱা মানুহৰ সংখ্যা দেখিলে আপুনি হতবাক হ'ব। ভাৰতত অন্ততঃ দহ-বিশ হেজাৰ লোক দুৰ্যোগৰ বাবে সন্ধানহীন হয়। এই মানুহখিনিৰ তথ্য ক'তো লিপিবদ্ধ নহয়। মই ভাবোঁ শৰীৰৰ সন্ধানহীনতা আচম্বিত কৰিবলগীয়া কথা এটা। আৰু এইবোৰৰ কোনো কাহিনী নাই, নাই কোনো কাহিনীকাৰ। শৰীৰৰ ইতিহাস লিপিবদ্ধ কৰাৰপৰাই গণতন্ত্ৰৰ ইতিহাস ন-কৈ ৰচনা কৰিব পৰা যায়। কিন্তু দেশ বিভাজনৰ সময়ত হোৱা শৰীৰৰ সন্ধানহীনতাৰ বিষয়ে নীৰৱতাৰ কথা আপুনি ভাবিছেনে? আমি শক্তিৰ স্থানান্তৰণৰ কথাহে লিখিছোঁ বা লিপিবদ্ধ কৰিছোঁ। আমি এতিয়ালৈ দেশ বিভাজনৰ সঠিক ইতিহাস লিখাই নাই। কিয়নো গভীৰভাৱে চালে আমি দেখিম যে মৌলিক স্তৰত দেশ বিভাজনৰ ইতিহাস শৰীৰৰ অপসাৰণৰ বাদে আন একো নহয়। আৰু ধৰ্ষণৰ কথাটোলৈ চাওক— এয়া দৰাচলতে কোনেও ক'বলৈ বা আলোচনা কৰিবলৈ নিবিচৰা হত্যাৰ বাদে একো নহয়। মোৰ একালৰ শিক্ষাগুৰু আশীষ নন্দীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছিল শৰীৰৰ বিভাজনৰ প্ৰেক্ষাপটত... এটা কাহিনীৰদ্বাৰা। এই কাহিনীটোৰ ঘটনা সংঘটিত হৈছিল লাহোৰৰ ওচৰৰ এখন সৰু গাঁৱত। শিখ সম্প্ৰদায়ৰ পৰিয়াল এটাই উপলব্ধি কৰে যে তেওঁলোক চাৰিওপিনৰপৰা মুছলমান লোকেৰে আবৃত হৈ আছে। আৰু ককাকজনে সিদ্ধান্ত লয় যে তেওঁ কাকো লাঞ্চিত হৈ মৃত্যুবৰণ কৰিবলৈ নিদিয়ে। তেওঁ নিজৰ কিৰ্পাণখন উলিয়াই নিজৰ ভনীয়েকক তেওঁৰ সন্মুখত থিয় হ'বলৈ নিৰ্দেশ দিয়ে। আৰু ইয়াৰ পিছৰ আধা ঘণ্টাজুৰি তেওঁ তেওঁৰ পৰিয়ালৰ ৫২জন লোকক হত্যা কৰে। এয়া এটা সঁচা কাহিনী। তাৰ পিছত, শেষৰজন জীৱিত বংশধৰ— অকণমান নাতিয়েকে কয়— মই আপোনাৰ লগত তেওঁলোকৰ লগত যুঁজিম, মোক জীয়াই থাকিবলৈ দিয়ক। তাৰ পিছত দুয়ো ঘৰৰ বাহিৰত ভৰি দিয়ে। প্ৰথমতে তেওঁলোকে ভাবে, তেওঁলোকক এতিয়া উপস্থিত জনতাই মিলি মাৰি পেলাব। হঠাৎ তাৰে মাজৰ এজন বৃদ্ধলোকে মাত দিয়ে— এইটো পৰিয়ালেই আমাক বিপদৰ সময়ত ইমান সহায় কৰিছিল। গাঁৱৰ মানুহখিনিয়ে তেওঁলোকক যাবলৈ দিয়ে। কিন্তু ককাকজনে নিজকে প্ৰশ্ন কৰিবলৈ বাধ্য হয়, যে নিজৰ পঞ্চাশজন বংশজক এনেদৰে মাৰি পেলোৱাৰ কিবা অৰ্থ আছিলনে? নাতিয়েকজনে আত্মহত্যা কৰে। তাৰ আগতে তেওঁ এই কাহিনীটো আশীষ নন্দীক কয়। শৰীৰৰ প্ৰশ্নটোৱে ইতিহাসক জুমুৰি দি ধৰে। এবাৰ শেফালি বাসুদেৱ নামৰ সাংবাদিকগৰাকীয়ে মোক এনে এজন মানুহক চাবলৈ মাতিলে যিজনে 'বৰ্ডাৰ' বোলছবিখন ৫২ বাৰ চাইছিল। দৰাচলতে সেই মানুহজনে দেশ বিভাজনৰ সময়ৰ স্মৃতিবোৰক শৰীৰৰ কাহিনী, শৰীৰৰ একাধিক কাহিনীবোৰক— পুনৰুজ্জীৱিত কৰিবলৈ বিচাৰিছিল। ভাৰতত কল্পকাহিনীৰ বিফলতা দেশ বিভাজনৰ বিষয়ে অৱলম্বন কৰা নীৰৱতাৰ স্থিতি। মই ভাবোঁ মৌলিক স্তৰত আমি দেশ বিভাজনৰ গোটেই সময়ছোৱাক পুনৰ পৰিদৰ্শন নকৰালৈ সংবিধানখন কেতিয়াও খুলিব নোৱাৰি। সংবিধান সভাই এনে নকৰিলে— হয়তো ইয়াৰ এটা কাৰণ আছিল এই যে মুছলিম লীগ অনুপস্থিত আছিল বা গান্ধী নোৱাখালিত ব্যস্ত হৈ পৰিছিল। কিন্তু দেশ বিভাজনৰ কথা, দেশ বিভাজনৰ সময়ত হোৱা শৰীৰ আৰু শৰীৰ-সম্বন্ধীয় ৰাজনীতিৰ

সম্পৰ্কই আজিও আমাক জুমুৰি দি ধৰে। কিন্তু হয়তো সবাতোকৈ কৌতূহলময় বা ৰোমাঞ্চকৰ প্ৰশ্ন হ'ল প্ৰকৃতি সম্বন্ধীয়। যোৱা কিছুদিন ধৰি প্ৰকৃতিক সংবিধানৰ অংশীদাৰ কৰিব পাৰি নে নাই এই লৈ নানান ধৰণৰ আলোচনা, বাক-বিতণ্ডা চলি আছে। আজিৰ তাৰিখত প্ৰকৃতি কেৱল সৃষ্টিতত্ত্ব নহয়, ই জীৱনধাৰা, ই জীৱিকাৰ উপায়। সেয়ে প্ৰশ্ন উত্থাপিত হৈছে যে প্ৰকৃতিক সংবিধানিকত্ব প্ৰদান কৰিব পৰা যায় নেকি। কিয়নো আপুনি দেখিব যে আজিৰ তাৰিখত ভাৰতত সংঘটিত হোৱা হিংসা-সন্ত্ৰাসৰ বহুখিনি কেন্দ্ৰিত হৈছে প্ৰকৃতিৰ ধ্বংসলীলাত। এটা মনোগ্ৰাহী আৰু গুৰুত্বপূৰ্ণ প্ৰস্তাৱনা আছিল এয়ে যে প্ৰকৃতিৰ ডাঙৰ ডাঙৰ অংশসমূহে প্ৰতিনিধিত্ব আৰ্জিবলৈ সক্ষম হয়। ধৰি লওক যদি ব্ৰহ্মপুত্ৰখন বিল অভ্ ৰাইট্‌ছৰদ্বাৰা প্ৰতিনিধিত্ব কৰা হয়। কিয়নো ব্ৰহ্মপুত্ৰ এখন নৈ নহয়, ই মানুহৰ জীৱনধাৰা, জীৱিকাৰ উপায়, ই মানুহৰ কল্পনাৰ উৎস। আৰু সেয়ে আমাক এখন বেলেগ ধৰণৰ সংবিধানৰ প্ৰয়োজন— প্ৰযুক্তিবিদ্যাৰ সদনৰ, নৈসমূহৰ প্ৰতিনিধিত্বৰ কথা আমি ভাবিব লাগিব সংবিধানৰ পুনৰপঠনৰ বাবে। নাগৰিকত্ব কেৱল ব্যক্তিতেই নিহিত হৈ থাকিব নোৱাৰে। আৰু মই ভাবোঁ যে আপুনি যেতিয়া ভাৰতীয় জীৱনৰ কাহিনীবোৰক প্ৰতিনিধিত্ব কৰিবলৈ ধৰে, প্ৰতিখন নৈৰেই প্ৰতিনিধিত্ব লাগে— কেৱল গংগাই নহয়, ব্ৰহ্মপুত্ৰ, ইণ্ডাচ আটাইবোৰ নৈকে প্ৰতিনিধিত্বৰ প্ৰয়োজন— কিয়নো নৈহোক একো একোটা শ্ৰুতিকথাৰ উৎস হিচাপে প্ৰতিনিধিত্ব দাবী কৰে। আমি প্ৰকৃতি আৰু অৰ্থনীতিৰ কথা পৃথক পৃথককৈ কওঁ। কিন্তু এনেদৰে আমি sustainabilityৰ সঠিক ধাৰণা বা ভাষাত উপনীত হ'ব নোৱাৰোঁ। cost benefit অৰ্থনীতিৰদ্বাৰা sustainabilityৰ ভাষা সৃষ্টি কৰিব নোৱাৰি। কল্পকথাৰ অবিহনে আপুনি নিপিড়ীত জনতাৰ দুখৰ কথা প্ৰকাশ কৰিব কিদৰে? আপোনাক লাগে এক নতুন ধৰণৰ অভিব্যক্তিৰ— মহাশ্বেতা দেৱীৰ দৰে, পূৰ্ণীয়াৰ সেই গাঁওখনৰ কথা কওঁতে যে ব্যৱহাৰ কৰিছিল... আপুনি অন্বেষণ কৰিব লাগিব পাঠ-প্ৰধান পৃথিৱী এখনত মৌখিক পৰম্পৰাৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ কৰা সংঘৰ্ষৰ কথা। প্ৰকৃতি যেতিয়া নোহোৱা হ'বলৈ ধৰে, তেতিয়া কি হয় বাৰু? প্ৰকৃতিক কোনে প্ৰতিনিধিত্ব কৰে? অধিকাৰৰ তথাগত ধাৰণাই ইয়াত কাম নিদিয়ে। আপোনাক ইয়াৰ বাবে শ্ৰুতিকথা আৰু সৃষ্টিতত্ত্বৰ পুনৰাগমন হোৱাটো প্ৰয়োজনীয়। আৰু সেয়ে আমাৰ সংবিধানত সাহিত্যিক ৰহণৰ প্ৰয়োজন... মই কল্পনাপ্ৰসূত কথাক সংবিধানত সন্নিৱিষ্ট কৰাৰ কথা কোৱা নাই। প্ৰকৃতিৰ ধ্বংস হৈছে, কিমান মানুহ অকাৰণতেই মৃত্যুমুখত পৰিছে। এইবোৰক প্ৰতিনিধিত্ব কৰিব কোনে। কল্পকথাই এই ভূমিকা পালন কৰিব। অনন্তমূৰ্তিৰ মতে আমি এক নতুন ধৰণৰ ইউনেস্কোৰ সৃষ্টি কৰিব লাগিব য'ত প্ৰান্তীয় ভাষাসমূহৰ মাজত অনুবাদ কৰা হয়। গণতন্ত্ৰত অনুবাদৰ ভূমিকা অপৰিসীম। বহু বছৰ আগতে মোৰ শিক্ষাগুৰু ৰজনী কোঠাৰীয়ে কৈছিল যে এজন লেখক সদায়ে বিৰোধী পক্ষত থাকে। কল্পনা, স্মৃতি, এক নতুন ধৰণৰ অভিব্যক্তি— এই আটাইবোৰেই হ'ল এজন লেখকৰ আহিলা। কিয়নো আজিৰ তাৰিখত আমি দেখিছোঁ কল্পনাৰ পৰাজয়। কিন্তু লেখকসকল হ'ব লাগিব বিদ্ৰোহাচৰণ কল্পনাৰ বাহক। শেষত এজন দুৰ্বল কাহিনীকাৰ হিচাপে মই আপোনালোক আটাইকে একো একোজন ভাল কাহিনীকাৰ হ'বলৈ অনুৰোধ জনাইছোঁ। ধন্যবাদ।